# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-APR-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। ৪ মে’ত হ’বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে নিৰ্বাচন আয়োগৰ যাৱতীয় প্ৰস্তুতি গ্ৰহণ। মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ যোৰহাট নিৰ্বাচনী জিলাৰ ভোটগণনা কেন্দ্ৰ পৰিদৰ্শন।

২। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি।

৩। বিধানসভা নিৰ্বাচন সন্দৰ্ভত গুৱাহাটীত অগপৰ পৰ্যালোচনা বৈঠক।

৪। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল কাইলৈ ঘোষণা। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু মুখামুখি।

০০০০০

অহা ৪ মে’ত ৰাজ্যৰ ৩৫ খন জিলাৰ মুখ্য কাৰ্যালয়ত পুৱা ৮ বজাৰ পৰা বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ’ব। ইয়াৰ বাবে নিৰ্বাচন আয়োগে যাৱতীয় প্ৰস্তুতি চলাই আছে। ভোটগণনা প্ৰক্ৰিয়াত নিয়োজিত হ’বলগীয়া বিষয়া-কৰ্মীসকলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে।

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল আজি যোৰহাট নিৰ্বাচনী জিলাত উপস্থিত হৈ ভোটগণনা প্ৰক্ৰিয়াৰ বাবে চলোৱা প্ৰস্তুতিৰ বুজ লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত চাৰিওটা বিধানসভা সমষ্টিৰ বাবে নিৰ্ধাৰিত ভোটগণনা কেন্দ্ৰ তথা ষ্ট্ৰংৰূমসমূহ পৰিদৰ্শন কৰে। এই সময়ছোৱাত তেওঁ ভোটগণনা কেন্দ্ৰৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতি, ভোটগণনা কক্ষ আৰু নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন কোষসমূহৰ প্ৰস্তুতিৰ বুজ লয়। এই পৰিদৰ্শনকালত যোৰহাট জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া জয় শিৱানী, জিলা জ্যেষ্ঠ আৰক্ষী শুভ্ৰজ্যোতি বৰা আৰু জিলাখনৰ সকলো ৰিটাৰ্নিং বিষয়া উপস্থিত থাকে। আনহাতে যোৰহাট নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়া আৰু আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত আজি জিলাখনৰ আৱৰ্ত ভৱনৰ সভাগৃহত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত ভোটগণনা প্ৰক্ৰিয়া শৃংখলাবদ্ধভাৱে সম্পন্ন কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

ইপিনে গোৱালপাৰা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ভোটগণনাত জড়িত হ’বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ জিলা প্ৰশাসনে আজি আৰম্ভ কৰে। ভোটগণনাৰ বাবে যাৱতীয় কাম-কাজ পূৰ্ণগতিত চলাই থকা বুলি জিলা আয়ুক্ত প্ৰদীপ টিমুঙে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

**বাইট (প্ৰদীপ টিমুং)**

উল্লেখযোগ্য যে যোৱা ৯ এপ্ৰিলত এটা পৰ্যায়ত ৰাজ্যত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হৈছিল। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি এইবাৰ দক্ষিণ শালমাৰা মানকাচৰ জিলাত সৰ্বাধিক ৯৫ দশমিক ৬-১ শতাংশ ভোটদান হয়। ধুবুৰী জিলাত ৯৫ দশমিক ২-১ শতাংশ, বৰপেটাত ৯৩ দশমিক ৩-২, গোৱালপাৰাত ৯৩ দশমিক ২-৭ আৰু বঙাইগাঁও জিলাত ৯২ দশমিক ৭-৭ শতাংশ ভোটদান হয়।

বিধানসভা নিৰ্বাচনত এইবাৰ পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি সামগ্ৰিকভাৱে ৮৫ দশমিক ৯-৬ শতাংশ ভোটদান হয়। ইয়াৰ পূৰ্বে ২০১৬ চনৰ বিধানসভা নিৰ্বাচনত ৮৪ দশমিক ৬-৭ শতাংশ আৰু ২০২১ চনত ৮২ দশমিক ০-২ শতাংশ ভোটদান হৈছিল।

00000

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰে। এই পৰ্যায়ত পৰহিলৈ ১৪২টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। সেইদিনা কলকাতা উত্তৰ, কলকাতা দক্ষিণ, হাওৰা, নদিয়া, উত্তৰ চৌবিবশ পৰগনা, দক্ষিণ চৌবিবশ পৰগনা, হুগলী আৰু পূব বৰ্ধমান জিলাত ভোটগ্ৰহণ কৰা হ'ব।

আজি অন্তিম দিনা জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জগতদলৰ জিলেপি মঠত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে যাদৱপুৰৰ সুকান্ত সেতুত যাদৱপুৰ আৰু তলিগঞ্জৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা সমদলত অংশ লয়। শ্ৰীমতী বেনাৰ্জীয়ে তেওঁৰ নিজা সমষ্টি ভৱানীপুৰতো প্ৰচাৰ চলায়। তৃণমূল কংগ্ৰেছৰ সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়েও বিভিন্ন স্থানত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

ৰাজ্যখনত যোৱা ২৩ এপ্ৰিলত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৯৩ দশমিক ১—৯ শতাংশ অভিলেখ হাৰত ভোটদান হয়।

00000

বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে মাজত কেইটামান দিন বাকী থকা অৱস্থাত আজি অসম গণ পৰিষদ দলে গুৱাহাটীত এখন পৰ্যালোচনা বৈঠকৰ আয়োজন কৰে। খানাপাৰাৰ নমাইলত অনুষ্ঠিত এই বৈঠকত দলটোৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্তকে ধৰি কেইবাগৰাকী শীৰ্ষ নেতাই অংশগ্ৰহণ কৰে। বৈঠকত বিধানসভা নিৰ্বাচন সন্দৰ্ভত পৰ্যালোচনা কৰাৰ লগতে ৪ মে'ত হ'বলগীয়া ভোটগণনা সন্দৰ্ভতো আলোচনা কৰা হয়। বৈঠকখনত দলটোৰ মুখপাত্ৰসকলৰ লগতে অগপৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলো উপস্থিত থাকে। বৈঠক সন্দৰ্ভত দলটোৰ সভাপতি অতুল বৰাই সংবাদমাধ্যমৰ আগত এইদৰে কয়—

**বাইট (অতুল বৰা)**

00000

চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। যোৱা ১১ ফেব্ৰুৱাৰীৰ পৰা ১৬ মাৰ্চলৈ অনুষ্ঠিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত এইবাৰ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী, বিজ্ঞান শাখাত ৬১ হাজাৰ ৫৬৮ গৰাকী আৰু বাণিজ্য শাখাত ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

00000

আম আদমী পাৰ্টিৰ ৭ জনকৈ ৰাজ্যসভাৰ সাংসদে দল এৰি বিজেপিত যোগ দিয়াৰ পাছত ৰাজ্যসভাত বিজেপিৰ সাংসদৰ সংখ্যা ১১৭ লৈ বৃদ্ধি পাইছে। ৰাজ্যসভাৰ অধ্যক্ষই আম আদমী পাৰ্টি ত্যাগ কৰা ৭ জন সাংসদক বিজেপিত চামিল হোৱাৰ অনুমতি প্ৰদান কৰিছে। এই সন্দৰ্ভত ৰাজ্যসভাৰ সচিবালয়ে অধিসূচনা জাৰি কৰিছে। ৭ জন সাংসদে আম আদমী পাৰ্টি ত্যাগ কৰাৰ পাছত দলটোৰ ৰাজ্যসভাৰ সাংসদৰ সংখ্যা তিনিলৈ হ্ৰাস পাইছে।

০০০০০

ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাৰ সৈতে গুৱাহাটী প্ৰেছ ক্লাবৰ বিষয়ববীয়াসকলৰ আজি এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত সাংবাদিক আৰু সংবাদ কৰ্মীসকলৰ স্বাস্থ্য বীমা, প্ৰেছ ক্লাবৰ স্থায়ী ভূমি আবণ্টন আৰু সাংবাদিকৰ নিৰাপত্তাৰ বিষয়টোক লৈ আলোচনা হয়। বৈঠকত প্ৰেছ ক্লাবৰ বিষয়ববীয়াসকলে সাংবাদিকসকলৰ বিভিৰন্ন সমস্যা উত্থাপন কৰে। মুখ্য সচিব কোটাই সাংবাদিকৰ দাবীসমূহক গুৰুত্ব দি এই ক্ষেত্ৰত প্ৰয়োজনীয় উদ্যোগ গ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ দক্ষিণ-পূব এছিয়া অধ্যয়ন কেন্দ্ৰৰ অধীনত টাই-আহোম ভাষা আৰু মধ্যযুগীয় পুথি চৰ্চা শীৰ্ষক এটা ছমহীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম আজি আৰম্ভ হৈছে। বিশ্ববিদ্যালয়খনৰ ফনীধৰ দত্ত প্ৰেক্ষাগৃহত আজি আয়োজিত এটা গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ ননী গোপাল মহন্তই এই পাঠ্যক্ৰম আনুষ্ঠানিকভাৱে মুকলি কৰে। উদ্বোধনী ভাষণত ড০ মহন্তই কয়, যে হেৰাই যাব ধৰা কীৰ্তিচিহ্ন আৰু ভাষাসমূহৰ পুনৰ উজ্জীৱিতকৰণৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে।

**(বাইট)**

অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পদ্মশ্ৰী সন্মানেৰে সন্মানিত যোগেন্দ্ৰ নাথ ফুকনকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ ২০২৬ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়া মুকলি কৰা হৈছে। অহা ৩১ জুলাইৰ ভিতৰত ৫ৰ পৰা ১৮ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে এই পুৰস্কাৰৰ বাবে মনোনয়ন আগবঢ়াব পাৰিব। উল্লেখযোগ্য যে দেশৰ বিভিন্ন প্ৰান্তৰ শিশুৰ অসাধাৰণ সাফল্যক স্বীকৃতি জনাই ৰাষ্ট্ৰপতিয়ে প্ৰতি বছৰে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰি আহিছে। সাহসিকতা, সমাজ সেৱা, পৰিবেশ, ক্ৰীড়া, কলা-সংস্কৃতি আৰু বিজ্ঞান প্ৰযুক্তি আদি ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা তথা সাফল্য প্ৰদৰ্শন কৰা শিশুক এই পুৰস্কাৰ দিয়া হয়। এই বছৰৰ মনোনয়ন কেৱল ৰাষ্ট্ৰীয় বঁটা পোৰ্টেলৰ জৰিয়তে দাখিল কৰিব পাৰিব। স্ব-মনোনয়ন আৰু অনুমোদনকো এই ক্ষেত্ৰত বিবেচনা কৰা হ'ব।

০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশমৰ্মে দৰং জিলাত অহা ৯ মে'ত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই লোক আদালতৰ জৰিয়তে বিভিন্ন ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, মটৰ দুৰ্ঘটনা সম্পৰ্কীয় গোচৰ, ৰাজহ সংক্ৰান্তীয় গোচৰ আদিৰ ব্যয়হীন খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বেংকৰ লেনদেন সম্পৰ্কীয় গোচৰ, টেলিফোন বিল, বিদ্যুৎ মাছুল সম্পৰ্কীয় বিবাদসমূহো

নিষ্পত্তি কৰা হ'ব। জনসাধাৰণৰ সুবিধাৰ্থে এনে গোচৰসমূহৰ আগতীয়া শুনানিৰো ব্যৱস্থা কৰা হৈছে। জিলাখনৰ আগতীয়াকৈ জাননী লাভ কৰা লোকসকলে জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰি অথবা ই-মেইলযোগে এই সুবিধা ল'ব পাৰিব। জাননী লাভ নকৰা লোকসকলে দৰং জিলা কোষাগাৰৰ সমীপত থকা জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ত যোগাযোগ কৰি বিবাদ নিষ্পত্তিৰ সুবিধা ল'ব পাৰিব।

ooooo

**নলবাৰী জিলাত অহা ৯ মে'ত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। জিলাখনৰ বিভিন্ন আদালতত বিচাৰাধীন ফৌজদাৰী গোচৰ, দেৱানী গোচৰ, পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনা সম্বন্ধীয় গোচৰ, ঋণ সম্বন্ধীয় গোচৰ, এন আই এক্টৰ অধীনৰ গোচৰ, ৰাজহুৱা উপযোগিতা সেৱা বিষয়ক গোচৰ আদি গোচৰ এই লোক আদালতৰ জৰিয়তে নিষ্পত্তি কৰা হ'ব। ৰাইজৰ সুবিধাৰ্থে আগতীয়া শুনানিৰো ব্যৱস্থা কৰা হৈছে বুলি নলবাৰী জিলা আইন সেৱা প্ৰাধিকৰণে জনাইছে। কম খৰচী এই লোক আদালতত অংশগ্ৰহণ কৰি খৰতকীয়াকৈ গোচৰ নিষ্পত্তিৰ সুযোগ লাভ কৰিবলৈ জিলা আইন সেৱা প্ৰাধিকৰণে লোক আদালতৰ জাননী পোৱা সকলো লোককে অনুৰোধ জনাইছে।**

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৰে সুৰক্ষা বাহিনীয়ে ২০ৰ পৰা ২২ এপ্ৰিললৈ চলোৱা মাদক দ্ৰব্য বিৰোধী অভিযানত ২৯ লাখ টকাৰো অধিক মূল্যৰ প্ৰায় ৬০ কিলোগ্ৰাম ভাং জব্দ কৰে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে ভাংখিনি সৰবৰাহৰ সৈতে জড়িত তিনিজন লোকক আটক কৰি ৰে'লৰে আৰক্ষীক গতাই দিয়া হয়। ৰে'লৰে সুৰক্ষা বাহিনীয়ে ২০ এপ্ৰিলত নিউ জলপাইগুৰি ৰে'লৰে ষ্টেচনত চলোৱা দুটা পৃথক অভিযানত প্ৰায় ৩২ কিলোগ্ৰাম ভাং জব্দ কৰে। একেদৰে ২১ এপ্ৰিলত আগৰতলা ৰে'লৰে ষ্টেচনত চলোৱা আন এটা অভিযানত ২১ কিলোগ্ৰামৰো অধিক ভাঙৰ সৈতে দুজন লোকক আটক কৰে। একেটা ষ্টেচনতে ২২ এপ্ৰিলত অভিযান চলাই সুৰক্ষা বাহিনীয়ে ৬ কিলোগ্ৰাম ভাং জব্দ কৰাৰ লগতে এজন লোকক আটক কৰে।

ooooo

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ **জন কল্যাণৰ বাবে বিজ্ঞান** পদক্ষেপৰ পৃষ্ঠপোষকতাত আৰু মাজুলী মহাবিদ্যালয়ৰ সহযোগত কালিৰে পৰা মাজুলী মহাবিদ্যালয়ত অনুষ্ঠিত **আৱৰ্জনা ব্যৱস্থাপনা আৰু পৰিৱেশ সুৰক্ষা** শীৰ্ষক দুদিনীয়া জন সজাগতা সভাৰ আজি সামৰণি পৰে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সদস্য সচিব মৌচুমী বৰদলৈ, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিৎ শইকীয়া আৰু জন কল্যাণৰ বাবে বিজ্ঞানৰ সভাপতি ড০ চন্দ্ৰ বৰুৱাই পুৱাৰ ভাগত মহাবিদ্যালয়ৰ চৌহদত গছপুলি ৰোপণেৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ কৰে। দুপৰীয়া মহাবিদ্যাৰয়ৰ কেশৰ ৰাম বৰা মহাবিদ্যালয়ত আয়োজিত মূল সভাত শ্ৰীমতী বৰদলৈয়ে প্ৰদূষণ নিয়ন্ত্ৰণ আইনসমূহৰ ওপৰত আলোকপাত কৰাৰ লগতে ২০২৬ বৰ্ষৰ এক এপ্ৰিলৰ পৰা প্ৰযোজ্য হোৱা গোটা আৱৰ্জনা নিষ্কাষণ আইনৰ প্ৰসংগৰে এবাৰ ব্যৱহৃত প্লাষ্টিকৰ ভয়াবহতাৰ বিষয়ে ব্যাখ্যা কৰে। জন সজাগতা সভাখনত সমল ব্যক্তি হিচাপে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ মুখ্য পৰিৱেশ বিজ্ঞানী ড০ গৌতম কৃষ্ণ মিশ্ৰ আৰু কাৰ্যবাহী পৰিৱেশ বিজ্ঞানী ড০ নিতালী দলে উপস্থিত থাকে।

ooooo

তামুলপুৰ জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ত আজি বাৰিষাৰ সময়ছোৱাত হ'ব পৰা বান পৰিস্থিতি সম্পৰ্কীয় এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। জিলাখনৰ আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ অধ্যক্ষ চিমি কৰনৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকখনত জৰুৰীকালীন সেৱাৰ সমন্বয়, গুৰুত্বপূৰ্ণ পৰিকাঠামোৰ সুৰক্ষা, পথ যোগাযোগ ব্যৱস্থা, সাহায্য শিবিৰ পৰিচালনা, ক্ষতিৰ মূল্যায়ণ আৰু প্ৰতিবেদন প্ৰস্তুতি আদি বিষয়ত বিস্তৃতভাৱে আলোচনা কৰা হয়। মহিলা আৰু শিশু উন্নয়ন, শিক্ষা, পশু চিকিৎসা, সমাজ কল্যাণ, জনস্বাস্থ্য অভিযান্ত্ৰিক, লোকনিৰ্মাণ, জললসম্পদ, কৃষি, ভূমি সংৰক্ষণ, বিদ্যুৎ আৰু স্বাস্থ্য বিভাগকে ধৰি সংশ্লিষ্ট সকলো বিভাগকে সম্পূৰ্ণ সজাগতাৰে কাম কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়।

ooooo

ৰাষ্ট্ৰীয় সেৱা যোজনা চমুকৈ এন এছ এছৰ হাটশিঙিমাৰী গোটৰ উদ্যোগত আজি দাফাদাৰপাৰাত বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। দাফাদাৰপাৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত বিনামূলীয়া স্বাস্থ্য শিবিৰটোৰ জৰিয়তে অঞ্চলটোৰ ৩০২ গৰাকী ৰোগী স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰি ঔষধ বিতৰণ কৰা হয়। উল্লেখযোগ্য যে হাটশিঙিমাৰী এন এছ এছৰ গোটৰ উদ্যোগত যোৱা ২৩ এপ্ৰিলৰ পৰা সাদিনীয়াকৈ বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। এই শিবিৰৰ পঞ্চমদিনা আজি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰা হয়।

ooooo

কাছাৰ আৰক্ষীয়ে অভিযান চলাই আই পি এল ক্ৰিকেটৰ জুৱাৰ সৈতে জড়িত থকাৰ অভিযোগত পাঁচজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে প্ৰথমে সমীৰ আজিজ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰি তেওঁ সোধাপোছা কৰাৰ পাছত আৰু চাৰিজনক গ্ৰেপ্তাৰ কৰে। অভিযুক্তকেইজন চাইবুল হুছেইন লস্কৰ, জাহিৰ হুছেইন লস্কৰ, আফতাব লস্কৰ আৰু ৰজত কুমাৰ সিং বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে অভিযুক্ত কেইজনৰ পৰা নগদ ৮০ হাজাৰ ২৩০ টকা, সাতটা ম'বাইল ফোন আৰু অন্যান্য নথিপত্ৰ জব্দ কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত